**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-9-2026
**Time :** 0900 HRS

***Assamese Morning Bulletin***

---

## HEADLINES

১। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ অৰ্থে ৰাজ্যজুৰি জুবিন দিৱস পালন।

২। ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক প্ৰধানমন্ত্ৰীৰ নিযুক্তি পত্ৰ বিতৰণ।

৩। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ নাকচ।

৪। নাগালেণ্ডৰ ছুম'কেডিমাত কালিৰেপৰা প্ৰথম উত্তৰ-পূৰ্বাঞ্চল শিক্ষা সন্মিলন।

*আৰু*

৫। জাপানৰ আইচি-নাগোয়াত আজিৰেপৰা এছিয়ান গেমছ। লাভলীনা বৰগোহাঁইকে ধৰি ভাৰতৰ পাঁচ শতাধিক ক্ৰীড়াবিদৰ অংশগ্ৰহণ।

০০০০০০

অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ কায়িকভাৱে হেৰাই যোৱাৰ আজি এবছৰ সম্পূৰ্ণ হ'ল। তিনি দশকৰো অধিক কাল অসমীয়া সংগীতজগতৰ একপ্ৰকাৰ অপ্ৰতিদ্বন্দ্বী কণ্ঠশিল্পী জুবিন গাৰ্গে অসমীয়াৰ উপৰি বাংলা, হিন্দী আৰু কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ থৈ গৈছে। গীতিকাৰ, সুৰকাৰ, অভিনেতা, সংগীত পৰিচালক, চলচ্চিত্ৰ পৰিচালক, বাদ্যযন্ত্ৰী, কবি আৰু সমাজকৰ্মী জুবিন গাৰ্গে তেওঁৰ জীৱনকালত প্ৰায় ৪০ টা ভাষাত ৩৮ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰি প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি ৰাখিছে। শিল্পীগৰাকীৰ এনে বহু কালজয়ী সৃষ্টিৰ মাজৰ অন্যতম মায়াবিনী শীৰ্ষক গীতটি তেওঁৰ অনুপস্থিতিৰ পাছতেই প্ৰাৰ্থনালৈ পৰিণত হৈছে।

*(মায়াবিনী)*

অসমীয়া সংগীত জগতত বৰ্ণিল যুগৰ সূচনা কৰা জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। ১৯৯২ চনত 'অনামিকা' শীৰ্ষক গীতৰ শ্ৰব্য সংকলনেৰে সংগীত যাত্ৰা আৰম্ভ কৰা জুবিন গাৰ্গে নৱপ্ৰজন্মক পুনৰ অসমীয়া আধুনিক গীতৰ অনুৰাগী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

বাংলা ছবি 'শুধু তুমি'ৰ বাবে ২০০৫ চনত তেওঁ বংগীয় চলচ্চিত্ৰ সমালোচক সংস্থাই আগবঢ়োৱা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। ২০০৭ চনত হিন্দী ছবি গেংষ্টাৰৰ 'য়া আলী' শীৰ্ষক গীতটোৰ বাবে তেওঁ গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰিছিল। তদুপৰি ইংৰাজী-খাচী ছবি 'ইক'জ অব ছাইলেন্স'ৰ বাবে তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ৰজত কমল বঁটা লাভ কৰিছিল। আধুনিক অসমীয়া সংগীতক নতুন মাত্ৰা প্ৰদান কৰাৰ বাবে ২০১৪ চনত জুবিন গাৰ্গলৈ ৰেনেচাঁ অসম বঁটা আগবঢ়োৱা হয়। গীতৰ লগতে কবিতাৰ জৰিয়তেও শিল্পীগৰাকীয়ে সমাজলৈ বিভিন্ন বাৰ্তা প্ৰেৰণ কৰিছিল।

*(কবিতা)*

জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ অৰ্থে ৰাজ্যজুৰি তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন দিৱস পালন কৰা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত

আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচীত আজি গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, তথা ৰাইজক সমবেত কণ্ঠত মায়াবিনী গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে।

ইপিনে, শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালন কৰিব। স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অসম জাতীয় বিদ্যালয় আৰু জুবিন গাৰ্গ ন্যাসৰ উদ্যোগত ৰাজ্যৰ জাতীয় বিদ্যালয়সমূহত শিল্পীগৰাকীৰ সোঁৱৰণত 'দিয়া ঘূৰাই দিয়া' গীতটি পৰিৱেশনৰ লগতে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**ডিব্ৰুগড়** জিলাত জুবিন দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় প্ৰেছক্লাব, জিলা সাহিত্য সভা, লাহোৱাল প্ৰেছ ক্লাবকে ধৰি শিক্ষানুষ্ঠান আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **কাছাৰ** জিলাৰ নৰসিংপুৰত এই দিৱস উপলক্ষে জুবিন গাৰ্গৰ বিষয়ত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰবাসীৰ উদ্যোগত দ'লমুখ চাৰিআলিত আয়োজিত অনুষ্ঠানত সন্ধিয়া সৰ্বধৰ্ম প্ৰাৰ্থনা আৰু গীত পৰিৱেশন কৰা হ'ব। **গোৱালপাৰা** জিলাৰ সংগম নাট্য গোষ্ঠীয়ে জুবিন দিৱস উপলক্ষে নাম-প্ৰসংগ, আলোকচিত্ৰ প্ৰদৰ্শন, বিশেষভাৱে সক্ষম লোকৰ মাজত খাদ্য বিতৰণ, বন্তি প্ৰজ্বলন, জুবিন গাৰ্গৰ গীত আৰু কবিতা পৰিৱেশন আদি কাৰ্যসূচী গ্ৰহণ কৰিছে। ইপিনে, গোৱালপাৰা জিলা প্ৰশাসনে শিল্পীগৰাকীৰ সোঁৱৰণত আগিয়াত বৃহৎ ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। **বাক্সা** জিলাতো প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতিত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এই সন্দৰ্ভত সবিশেষ জনাইছে –

(বাইট)

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিংশতম ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰিব। দেশৰ ৪৫ টা স্থানত এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। নৱ নিযুক্ত প্ৰাৰ্থীসকলে কৰ বিভাগ, ৰে'ল বিভাগ, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্ত সেৱা, প্ৰতিৰক্ষাকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত যোগদান কৰিব। এইবাৰৰ ৰোজগাৰ মেলাক সামৰি এই প্ৰক্ৰিয়াৰ জৰিয়তে দেশত নিযুক্তিপ্ৰাপ্তৰ সংখ্যা ১২ লাখ ৭৫ হাজাৰ হৈছেগৈ। এই ৰোজগাৰ মেলাসমূহৰ যোগেৰে চৰকাৰে যুৱক-যুৱতীসকলক বিভিন্ন চৰকাৰী প্ৰতিষ্ঠানত নিযুক্তি প্ৰদানৰ সুবিধাৰে দেশৰ বিকাশৰ যাত্ৰাত যুৱ প্ৰজন্মৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ প্ৰয়াস কৰিছে।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা মুঠ ২৫ জন প্ৰাৰ্থীৰ ভিতৰত ৭ জনৰ মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। মনোনয়ন নাকচ হোৱা প্ৰাৰ্থীকেইজন হৈছে নিৰ্দলীয় শ্বাহ আলম, প্ৰণৱ কৌশিক, ৰাবুল হক, খলিলুদ্দিন, চামচুল আলম, আৰু চিকন্দৰ আলি তথা জয়প্ৰকাশ জনতা দলৰ পংকজ মৌৰ্য। প্ৰণৱ কৌশিকে আমানতৰ ধন জমা নকৰা বাবে আৰু  বাকীসকলে প্ৰপত্ৰ সম্পূৰ্ণকৈ পূৰ নকৰাৰ বাবে মনোনয়ন পত্ৰ নাকচ হোৱা বুলি ৰিটাৰ্ণিং বিষয়া তথা নগাঁৱৰ জিলা আয়ুক্ত আৰণ্যক শইকীয়াই এটা নিৰ্দেশত উল্লেখ কৰিছে। বিজেপিৰ দেৱাশীষ শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ দি এফৰ বদৰুদ্দিন আজমলকে ধৰি মুঠ ১৭ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয়। আনহাতে, তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল চালামৰ মনোনয়ন দলীয় নিস্পত্তিহীন বিবাদৰ বাবে স্থগিত ৰখা হয়। কালি এই সন্দৰ্ভত জিলা প্ৰশাসনে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই আৰু তেওঁৰ মনোনয়ন পত্ৰ অমিমাংসিত হৈ ৰয়। উল্লেখযোগ্য যে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০০

নাগালেণ্ডৰ ছুম'কেডিমাৰ নাগা ইউনাইটেড ভিলেজত কালিৰেপৰা প্ৰথম উত্তৰ-পূৰ্বাঞ্চল শিক্ষা সন্মিলন অনুষ্ঠিত হৈছে। দুদিনীয়াকৈ আয়োজিত এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে – 'ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ৰূপায়ণ ঃ দৰ্শন, প্ৰত্যাহ্বান আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে সুযোগ'। সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ নীতি-নিৰ্মাতা, শিক্ষাবিদ আৰু প্ৰশাসকসকলে অংশ লৈছে। সন্মিলনৰ উদ্বোধনী সত্ৰত কালি নাগালেণ্ডৰ উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী টেমজেন ইম্না আলঙে কয়, যে কেৱল উচ্চ শিক্ষাৰ যোগ্যতাই এতিয়া কৰ্ম সংস্থাপনৰ নিশ্চয়তা প্ৰদান নকৰাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূৰ্বাঞ্চল খণ্ড প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তেওঁ শিক্ষাই যাতে ছাত্ৰ-ছাত্ৰীসকলক প্ৰাসংগিক দক্ষতা তথা সমালোচনাত্মক চিন্তাধাৰাৰে উৎসাহিত কৰিব পাৰে, এইক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত অংশ লৈ অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০-ৰ গুৰুত্বত আলোকপাত কৰে। এই নতুন শিক্ষানীতিত মাতৃভাষাৰ শিক্ষাত গুৰুত্ব আৰোপে শিকন পদ্ধতি শক্তিশালী কৰাৰ লগতে আমাৰ ভাষিক পৰিচয় সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱা তথা দেশসেৱাৰ মন্ত্ৰৰে কৰা যাত্ৰাৰ ২৫ বছৰ সম্পূৰ্ণ কৰিছে। সেৱা আৰু সুশাসনৰ দৃষ্টিভংগীৰে পৰিচালিত হৈ চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে অবিৰতভাৱে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সামগ্ৰিক উন্নয়ন আৰু সামাজিক সৱলীকৰণৰ জৰিয়তে দেশৰ জনসাধাৰণৰ জীৱন ধাৰণৰ আমূল পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়াস কৰা হৈছে।

প্ৰধানমন্ত্ৰীৰ নেতৃত্বত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত ভালেমান উন্নয়নমূলক কাৰ্যসূচী আৰু প্ৰকল্প ৰূপায়িত হৈছে। ইয়াৰে ভিতৰত গুৱাহাটীৰ সমীপৱৰ্তী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ আধুনিক তথা কলাসুলভ, দৃষ্টিনন্দন ৰূপে বিমান যাত্ৰীসকলক সন্মোহিত কৰাৰ লগতে সকলো ধৰণৰ সা-সুবিধাই ইয়াক সঁচা অৰ্থত আন্তৰ্জাতিক পৰ্যায়ৰ বিমান বন্দৰলৈ পৰিৱৰ্তিত কৰিছে। আজিৰ খণ্ডত আমি প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ জনসেৱাৰ এই অবিৰত যাত্ৰা আৰু বিকশিত ভাৰতৰ দৰ্শন প্ৰতিফলিত হোৱা গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিৱৰ্তিত ৰূপ সন্দৰ্ভত আমাৰ কামৰূপ জিলাৰ সংবাদদাতা কৌশিক দাসৰ এটি চমু প্ৰতিবেদন আগবঢ়াইছো-

(প্ৰতিবেদন ঃ কৌশিক দাস)

০০০০০০

জাপানৰ আইচি-নাগোয়াত আজি বিংশতম এছিয়ান গেমছ আৰম্ভ হ'ব। পালমা মিজুহো ষ্টেডিয়ামত আয়োজিত মুকলি অনুষ্ঠানত দ্বৈত অলিম্পিক পদক বিজয়ী শ্বুটাৰ মনু ভাকৰ আৰু শ্বটপুট খেলুৱৈ তাজিন্দৰপাল সিং তুৰে ভাৰতীয় দলৰ পতাকা বহন কৰিব। অহা চাৰি অক্টোবৰলৈ হ'বলগীয়া এই প্ৰতিযোগিতাত ভাৰতৰ ৫০০ তকৈও অধিক এথলীটে ৩৭ টা শাখাত অংশগ্ৰহণ কৰিব। ভৰিৰ গাঁঠিৰ আঘাতৰ বাবে জেভলিন থ্ৰ'ৰ যোৱাবাৰৰ বিজয়ী নীৰজ চোপ্ৰাই অংশগ্ৰহণৰ পৰা বিৰত থাকিলেও দলটোত ৫ গৰাকী অলিম্পিক পদক বিজয়ী ক্ৰীড়াবিদ আছে। বক্সিঙত অসম কন্যা লাভলীনা বৰগোহাঁই, বেডমিণ্টনত পি ভি সিন্ধু, ভাৰোত্তোলনত মীৰাবাই চানু আৰু মল্লযুঁজত আমান শেহৰাৱতে ভাৰতীয় দলক নেতৃত্ব প্ৰদান কৰিব। এইবাৰ ৪৫ খন দেশৰ ক্ৰীড়াবিদে ৪৩ টা ক্ৰীড়া শাখাত ৪৬৯ টা পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। জাপানে ১৯৫৮ চনত টকিঅ' আৰু ১৯৯৪ চনত হিৰোশ্বিমাৰ পাছত তৃতীয়বাৰলৈ এই মহাদেশীয় প্ৰতিযোগিতাখন আয়োজন কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনীৰে দুই এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**